## THE GAUHATI HIGH COURT AT GUWAHATI

(The High Court of Assam, Nagaland, Mizoram and Arunachal Pradesh)

**Main Written Examination for direct recruitment to Grade-III of Assam Judicial Service**

**Date: 13-03-2018 (Tuesday)** **Time: 2.00 pm to 4.00 pm**

**Total marks: 50** **Duration: 2 Hours**

**PAPER – V**

১। অসমীয়ালৈ অনুবাদ কৰা (প্ৰতিটো শুদ্ধ উত্তৰৰ বাবে ½ নম্বৰকৈ) ঃ ৫

*(a)* The water of the well is clean. *(b)* The people of Assam are brave. *(c)* The teachers of our school are very kind. *(d)* Lila danced but she did not sing. *(e)* We ourselves caught the thief and handed over to the police. *(f)* He is our headmaster and his house is close to our school. *(g)* The car belongs to a friend of mine. *(h)* Nabin had to cook his meals himself, so he did not find time to do his homework. *(i)* Please stand up for singing the national anthem. *(j)* The car swerved and ran into a ditch.

২। ইংৰাজীলৈ অনুবাদ কৰা (প্ৰতিটো শুদ্ধ উত্তৰৰ বাবে ½ নম্বৰকৈ) ঃ ৫

*(ক)* তুমি নাইবা তোমাৰ ভাই যিকোনো এজন আমাৰ সভাখনলৈ আহিব লাগিব। *(খ)* তেওঁ সফল হ'বই, কাৰণ তেওঁ কঠোৰ পৰিশ্ৰম কৰে। *(গ)* এতিয়াই নগ'লে তোমাৰ দেৰী হ'ব। *(ঘ)* মাছৰ ইমান দাম যে কিনাই টান। *(ঙ)* এই ফুলটোৰ গোন্ধো নাই ৰূপো নাই। *(চ)* চুপ! শব্দ নকৰিবা, কেঁচুৱাটো শুই আছে। *(ছ)* ৰজা হোৱা হ'লে মই ৰাজকাৰেঙত থাকিলোহেঁতেন। *(জ)* প্ৰতি দেওবাৰে মই কাপোৰ ধোওঁ। *(ঝ)* ভগবানে তোমাক যেন দয়া কৰে। *(ঞ)* বানপানীয়ে আমাৰ খেতি নষ্ট কৰিলে।

৩। **যি কোনো তিনিটাৰ বিপৰীতাৰ্থক শব্দ লিখা ঃ** ৩

সধবা; জ্যেষ্ঠ; আশীৰ্বাদ; আয়; অনুকূল।

৪। **এটা শব্দত প্ৰকাশ কৰা** (যি কোনো তিনিটা) ঃ ৩

ধান থোৱা ঘৰ; যি দুয়োটা চকুৰে নেদেখে; কঁঠালৰ সৰু ক'লি; এবাৰ ফল দি মৰা গছ।

৫। **যি কোনো তিনিটাৰ শুদ্ধ অৰ্থটো লিখা ঃ** ৩

বৃকোদৰ— বলৰাম, গণেশ, ভীম, বলৰাম।

লম্বোদৰ— গণেশ, কাৰ্তিক, হনুমান, ৰামচন্দ্ৰ।

বিভাবৰী— মহাসাগৰ, নিশা, মধুচন্দ্ৰিকা, দিন।

পঙ্কজ— শেৱালি, ভেঁটফুল, পদুম, নাৰ্জী।

৬। **যি কোনো তিনিটাৰ সন্ধি ভাঙা বা যোৰা লগোৱা ঃ** ৩

যুধিষ্ঠিৰ; শূৰ্পণখা; শিৰঃ + ছেদ; উত্তৰ + অয়ন; অক্ষ + উহিনী।

৭। **তলত দিয়া যি কোনো আঠটাৰ অসমীয়া প্ৰতিশব্দ লিখা** (শেষৰ তিনিটা আখৰেৰে) ঃ ৮

Mother-in-law; sister's son; husband's elder brother; husband's younger sister; grandson; wife's sister's husband; deed of agreement; alimony; chief Justice; ninety nine; eighty nine; thirty five.

৮। **খালী ঠাই পূৰণ কৰা** (যি কোনো তিনিটা) ঃ ৩

*(ক)* আকালৰ ভাত নিদানৰ ..................। *(খ)* পৰত .................... বনত বাস। *(গ)* অভাৱেই ................. মূল। *(ঘ)* কেৰ্কেটুৱাই তামোল খায় .............. বান্ধি কিলায়।

৯। **যি কোনো তিনিটা খণ্ডবাক্যৰে একোটাকৈ বাক্য ৰচনা কৰা ঃ** ৩

পদূলি শুঙা; মূৰত সৰগ ভাঙি পৰা; যত কুটৰ ঘাই; হোলোঙাৰে কাণ বিন্ধোৱা; সাতঘাটৰ চেঙেলি।

১০। 'এক দেশ এক নিৰ্বাচন'— প্ৰধান মন্ত্ৰীৰ ঘোষণা অনুসৰি আমাৰ দেশৰ লোক সভা, বিধান সভা, গাঁও পঞ্চায়ত, নিকায়-নগৰপালিকা আদিৰ নিৰ্বাচন একেলগে অনুষ্ঠিত কৰাটো সম্ভৱপৰ বা যুক্তিসঙ্গত বুলি ভাবানে? সপক্ষে বা বিপক্ষে পঞ্চাশটামান শব্দৰ ভিতৰত তোমাৰ যুক্তি দাঙি ধৰি এটা চমু টোকা যুগুত কৰা। ৪

১১। **ন্যূনতম এশ শব্দৰ ভিতৰত যি কোনো এখন ৰচনা লিখা ঃ** ১০

*(ক)* এড্‌ভাণ্টেজ আসাম (বিশ্ব বিনিয়োগ সন্মিলন), ২০১৮ *(খ)* গুৱাহাটী উচ্চ ন্যায়ালয়

*(গ)* তথ্য জনাৰ অধিকাৰ আইন।

o-o-o-o